

# কটনত সাহিত্য অকাদেমিৰ পূৰ্বাঞ্চলীয় কবি সন্মিলন

মহানগৰ ব্যুৰ', ৩০ এপ্ৰিল : কটনিয়ানৰ বহুবৰ্ষজোৱা শতবৰ্ষ উদ্‌যাপন কাৰ্যসূচীৰ অংশস্বৰূপে কালি কটন বিশ্ববিদ্যালয়ৰ ছুডমাৰ্চন হলত সাহিত্য অকাদেমি আৰু কটন বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত কবিতা উৎসৱ তথা পূৰ্বাঞ্চলীয় কবি সন্মিলনখন অনুষ্ঠিত হয়। অসমীয়া, ইংৰাজী, উড়িয়া, কাৰ্বি, খাছি, ডিমাচা, তিৱা, নেপালী, বড়ো, বাংলা, মণিপুৰী, মিচিং, মৈথিলী, ৰাভা, সাঁওতালী, হিন্দী আদি ভাষাৰ কবিসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা এই কবি সন্মিলনখন নাহিদ আফ্ৰিনে এটা বৰগীত পৰিৱেশন কৰি আৰম্ভ হয়। কবি সন্মিলনৰ উদ্বোধন কৰে প্ৰখ্যাত কবি অনিল কুমাৰ বড়োৱে। উদ্বোধনী সত্ৰত সভাপতিত্ব কৰা সাহিত্য অকাদেমিৰ সভাপতি মাধৱ কৌশিকে। তেওঁৰ ভাষণত কবিসকলক 'মানৱতাবাদৰ ৰাষ্ট্ৰদূত' বুলি অভিহিত কৰে। তেওঁ লগতে সকলো ভাষা আৰু উপভাষাৰ মৌখিক সাহিত্য সংৰক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উদ্বোধনী সত্ৰত আদৰণী ভাষণ আগবঢ়ায় ক্ৰমে কটন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক দিগন্ত কুমাৰ দাস আৰু সাহিত্য অকাদেমিৰ সচিব কে শ্ৰীনিবাস ৰাৱে। কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰমেশ চন্দ্ৰ ডেকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত অসমীয়া উপদেষ্টা পৰিষদৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাকে প্ৰমুখ্য কৰি বহু গণ্যমান্য সাহিত্যিক আৰু কবিসকলে অংশগ্ৰহণ কৰে। দুটা সত্ৰত অনুষ্ঠিত কবি সন্মিলনখন সঞ্চালনা কৰে ক্ৰমে নৱ সাপকটা আৰু তৰুণ বড়োৱে। সমগ্ৰ অনুষ্ঠানটোৰ খাঁত ধৰে কটন বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক জিতুমণি বসুমতাৰীয়ে আৰু শলাগৰ শৰাই আগবঢ়ায় 'কটনিয়ান'ৰ সম্পাদক অংকুৰজ্যোতি শৰ্মাই।

**বিভিন্ন ভাষাৰ কবিৰ অংশগ্ৰহণ**